2016

# আকাশ

অসম সাহিত্য সভাৰ মহিলা আলোচনী

প্ৰথম বছৰ, দ্বিতীয় সংখ্যা



# আকাশ

অসম সাহিত্য সভাৰ মহিলা আলোচনী

প্ৰথম বছৰ, দ্বিতীয় সংখ্যা,
জুলাই-নৱেম্বৰ, ২০১৬ খ্ৰীষ্টাব্দ

**AKASH ;** MAHILA ALOCHONI, Asam Sahitya Sabha, July 2016, Vol. - 2, (**'AKASH'** a magazine of Asam Sahitya Sabha, Edited by Dr. Moromi Barthakur Talukdar & Dr. Malina Devi Rabha and Published by Dr. Paramananda Rajbongshi, General Secretary, Asam Sahitya Sabha, Chndrakanta Handique Bhaban, Jorhat-785001 Rs-25\ Only

সম্পাদনা সমিতি ঃ

ড° ধ্ৰুৱজ্যোতি বৰা
সভাপতি, অসম সাহিত্য সভা
ড° পৰমানন্দ ৰাজবংশী
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
ড° মৰমী বৰঠাকুৰ তালুকদাৰ
মুখ্য সম্পাদক
ড° মলিনা দেৱী ৰাভা
সম্পাদক
মিতালী শইকীয়া
সহকাৰী সম্পাদক

সদস্যা ঃ

পদুমী গগৈ
দৰ্পণা বৰা নেওগ
ড° ভানু বেজবৰা কলিতা
ড° পাৰুল নাথ
বিজয়া ডেকা
ড° আছফিয়া চুলতানা
ৰেণুপ্ৰভা হাজৰিকা
ৰীতামণি দত্ত
দীপাঞ্জলি শৰ্মা গোস্বামী
ড° ৰূপাঞ্জলী দেৱী



প্ৰীতিভৰা শুভেচ্ছাৰে.....

শ্ৰীযুত/শ্ৰীযুতা..................................................

..................................................

হাতত

'আকাশ' অৰ্পণ কৰিলোঁ।

ড° মৰমী বৰঠাকুৰ তালুকদাৰ
মুখ্য সম্পাদক

ড° মলীনা দেৱী ৰাভা
সম্পাদক

বেটুপাত ঃ মনজিৎ ৰাজখোৱা
অংগসজ্জা ঃ ৰংমন
শুভেচ্ছামূলক অৰিহণা ঃ ২৫.০০ টকা
মুদ্ৰণ ঃ শিৱম প্ৰিণ্টাৰ্চ, গুৱাহাটী

........'উপদেশতকৈ আৰ্হি ভাল' এই ধাৰণা শিৰোগত কৰি ক্ষীৰমা শইকীয়াই পলু পুহি, সূতা কাটি, পাট-মুগাৰ মেখেলা চাদৰ বোৱা আৰু নিজে পিন্ধাৰ লগতে আনকো পিন্ধায় ভালপাইছিল। ৰন্ধাবঢ়া, আচাৰ বনোৱা, চাফাই কৰা আদি সকলো কামেই তেখেতে কৰিছিল। সুদীৰ্ঘ ডেৰকুৰি বছৰত বহু স্বনামধন্য ব্যক্তিক কস্তুৰবা কেন্দ্ৰলৈ আমন্ত্ৰণ কৰি ৰাইজৰ লগত চিনাকি তথা অনুপ্ৰাণিত হোৱাৰ সুবিধা কৰি দিয়ে।...................

# সমাজসেৱী ক্ষীৰমা শইকীয়া

বিজয়া ডেকা



সুখৰ অনুভূতি ব্যক্তি বিশেষে বেলেগ বেলেগধৰণৰ। কোনোৱে লাস-বিলাসৰ মাজত স্বচ্ছলভাৱে নিজৰ জীৱন নিৰ্বাহৰ কথা ভাৱে আৰু কোনোৱে সমাজৰ হকে কিবা কাম কৰি শান্তি পাব বিচাৰে। পুৰুষ আৰু নাৰী উভয়ৰে চিন্তা আৰু কৰ্মৰ সামৰ্থতা হিচাপে তেওঁলোকৰ জীৱনৰ কাম-কাজবোৰ আৰম্ভ হয়। এগৰাকী গাভৰু হিচাপে জীৱনৰ অন্যান্য আশা-বিলাস বাদ দি সমাজৰ পিছপৰা লোকসকলৰ বাবে কাম কৰি যোৱাকে ব্ৰত হিচাপে গ্ৰহণ কৰা অসমৰ অন্যতম গান্ধীবাদী এগৰাকী মহিলা সমাজকৰ্মী হৈছে ক্ষীৰমা শইকীয়া। তেখেতৰ জন্ম হয় ১৯৫৪ চনৰ ১৯ নৱেম্বৰত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ গেৰেকীচুক গাঁৱত। পিতৃৰ নাম ঁকমলাকান্ত শইকীয়া আৰু মাতৃৰ নাম দীনেশ্বৰী শইকীয়া। পিতৃ-মাতৃৰ পাঁচটি সন্তানৰ ভিতৰত ক্ষীৰমা শইকীয়া হ'ল কনিষ্ঠতম। গাঁওখনিত থকা 'সুৰভি' নামৰ পুথিভঁৰালটোৰ অন্তৰ্গত অকণি মেলত অংশ গ্ৰহণ কৰি তেখেতে সৰু কালৰে পৰা সাংস্কৃতিক মনৰ অধিকাৰী হৈ পৰে। লগতে পুথিভঁৰালত থকা শিশু পুথিসমূহ পঢ়াৰ অভ্যাস কৰে। গাঁৱৰ এই পৰিৱেশেই ক্ষীৰমা শইকীয়াক স্বাৱলম্বন, কষ্ট সহিষ্ণু মন আৰু মানৱ দৰদী কৰি তোলে। ১৯৭২ চনত জামুৰিগুৰি ছোৱালী হাইস্কুলৰ পৰা তেখেতে মেট্ৰিকৰ দেওনা পাৰ হয়। ক্ষীৰমা শইকীয়াৰ শিশুকালতে গঢ় লোৱা মানৱ দৰদী মনটোৱে বাট বিচাৰি পালে। ১৯৭৮ চনত তেখেতে অসম প্ৰাদেশিক কস্তুৰবা ট্ৰাষ্টৰ গ্ৰাম সেৱিকা বিদ্যালয়ত এবছৰ প্ৰশিক্ষণ লয়। প্ৰশিক্ষণৰ উন্নয়ন কেন্দ্ৰত সেৱাকৰ্মী হিচাপে যোগদান কৰে। কিছুদিন পিছত শিৱসাগৰৰ বকতা কস্তুৰবা কেন্দ্ৰত যোগদান কৰে। ইয়াত এবছৰ অন্তত তেওঁ ডিব্ৰুগড় জিলাৰ ডিকম চাহ বাগিছাৰ বনুৱা সেৱা আগ বঢ়োৱাৰ পিছত কাছাৰ জিলাৰ মীৰ্জাপুৰ কস্তুৰবা কেন্দ্ৰলৈ যায়। ১৯৮১ চনৰ জুনত ক্ষীৰমা শইকীয়াই প্ৰাদেশিক কাৰ্যালয়ৰ নিৰ্দেশ অনুসৰি দক্ষিণ কামৰূপৰ বকো অঞ্চলৰ বাটাকুছি কস্তুৰবা কেন্দ্ৰ পৰিচালিকা হিচাপে যোগদান কৰে। উল্লেখ্য, ১৯৪৬ চনৰ ৯ জানুৱাৰীত জাতিৰ পিতা মহাত্মা গান্ধীয়ে নিজ হাতে বন্তি জ্বলাই শৰণীয়া আশ্ৰমত কস্তুৰবা গান্ধী গ্ৰাম সেৱিকা বিদ্যালয় উদ্বোধন কৰে। মহীয়সী নাৰী অমল প্ৰভা দাসে অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই বন্তিৰ শিখা অসমৰ গাঁৱে-ভূঞে পোহৰাই তোলে। তেনে এক মহান শিখাৰ ভিতৰত এটাই হ'ল বকোৰ বাটাকুছি কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰ। ১৯৪৯ চনৰ ১২ আগষ্টত দেশসেৱাত নিজকে উছৰ্গিত কৰা অমলপ্ৰভা দাসে বাটাকুছি কস্তুৰবা গ্ৰামসেৱা কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। এই বাটাকুছি কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰৰ তৃতীয়গৰাকী পৰিচালিকা হ'ল ক্ষীৰমা শইকীয়া।

সেই সময়ত বাটাকুছি কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰটি য'ত অৱস্থিত সেই অঞ্চল ৰাস্তা, শিক্ষা, স্বাস্থ্যকে ধৰি এশ কৰি সমস্যাৰে জৰ্জৰিত আছিল। ৰাস্তাৰ অৱস্থা ইমানেই শোচনীয় আৰু সৰু আছিল যে বকোৰ পৰা বাটাকুছিলৈ অহা-যোৱা কৰা দুজন লোকে সমানে সমানে খোজ কাঢ়িব পৰা নাছিল। জংঘলৰ মাজৰ সৰু ৰাস্তাটোৱে আগবাঢ়োতে গাৰ কাপোৰ গছৰ ডালে-

পাতে লাগি ধৰিছিল, দিন দুপৰতে বাঘ, ভালুক চৰি ফুৰিছিল। গৰু-ছাগলীৰ কথাই নাই কেতিয়াবা বাটৰুৱাকো বাঘ-ভালুকে আক্ৰমণ কৰিছিল। এনে পিছ পৰা অঞ্চলসমূহত কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰ স্থাপন কৰি অমলপ্ৰভা দাসে গান্ধীজীৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ অশেষ ত্যাগ আৰু কাম কৰিছিল।

ক্ষীৰমা শইকীয়ায়ো অমলপ্ৰভা দাসৰ নীতি-আদৰ্শ সৰোগত কৰি বাটাকুছি কস্তুৰবা গ্ৰামসেৱা কেন্দ্ৰটিৰ চৌদিশে পোহৰ বিলাবলৈ অশেষ কষ্ট কৰিছিল। ১৯৮২ চনৰ পৰা নিগাজীকৈ ২০১২ চনৰ মে মাহলৈ সুদীৰ্ঘ ৩০ বছৰ কাল এই কেন্দ্ৰটিত থাকি পিছপৰা অঞ্চলটোৰ উন্নতিৰ হকে বহুত কাম কৰিছিল। জনজাতিৰে ভৰপুৰ অঞ্চলটিৰ মহিলা আৰু শিশুসকলৰ কল্যাণৰ হকে অঞ্চলবাসীৰ সহযোগত নানা সজাগতা সভাৰ আয়োজন কৰিছিল। বিশেষকৈ মহিলা সৱলীকৰণ, মহিলাৰ আইনগত অধিকাৰ, বৃক্ষৰোপণ, ৰাজহুৱা স্থানত চাফাই অভিযান আদিৰ সজাগতা সভা লেখত ল'বলগীয়া। জাম-মেলি আচাৰ প্ৰস্তুতকৰণ, মৌমাখি পালন, ফেব্ৰিক, চিলাই, নিবনুৱা যুৱকক মটৰ ড্ৰাইভিং আদিৰ দৰে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি স্বাৱলম্বী হোৱাৰ পথ মুকলি কৰি দিছিল। সোণালী সূতা প্ৰকল্পৰ দ্বাৰা ৰেচম শিল্প, এৰি মুগা পালন কৰি, মুগা সূতা কাটি উন্নয়নৰ দিশত আগবঢ়া আদি কামত গুৰুত্ব প্ৰদান কৰিছিল। মাদক দ্ৰব্য নিবাৰণ, ডাইনী হত্যা আদিৰ বিৰুদ্ধে সজাগতা সভা পাতি ৰাইজৰ মনৰ পৰা অন্ধবিশ্বাস দূৰ কৰিব বিচাৰিছিল। বিভিন্ন দিৱসত পালনত সহযোগিতা কৰিছিল। পঁচন সাৰ আৰু কেঁচুসাৰ তৈয়াৰ কৰাৰ প্ৰক্ষিণৰ ব্যৱস্থা কৰিছিল। শিশুসকলকো নানান দিশত আগবঢ়াবলৈ চেষ্টা কৰিছিল। ছাত্ৰ-ছাত্ৰী মাজত ১০ দিনীয়া 'গান্ধী দৰ্শন' শিবিৰ পাতি যোগ প্ৰাণায়াম আদিৰ সুব্যৱস্থা কৰা, শিশু পঞ্চায়তত অংশগ্ৰহণ, বিনামূলীয়াকৈ দিল্লী ভ্ৰমণ, দুটি শিশুক SOS ত সংস্থাপন আদি উল্লেখনীয় কামত আত্মনিয়োগ কৰিছিল। ১৯৯৩-৩৪ চনৰ জনস্বাস্থ্য কাৰীকৰী বিভাগৰ সহযোগত কস্তুৰবা আশ্ৰমে স্বাস্থ্য সম্পৰ্কীয় শিবিৰ পাতি প্ৰশিক্ষণ দিয়াৰ ফলস্বৰূপে চাৰিখন গাঁও 'অনাময় গাঁও' হিচাপে স্বীকৃতি প্ৰাপ্ত হয়। অকল কস্তুৰবা আশ্ৰমৰ কামৰ মাজতে ব্যস্ত নাথাকি বকো অঞ্চলৰ অন্যান্য সামাজিক কামতো তেখেত জড়িত হৈছিল। বন্যাতক সাহাৰ্য বিত ৰণ, বকো গ্ৰন্থমেলা পৰিচালন সমিতি, বকো সাহিত্য সভা আদিত জড়িত হৈছিল। বৃহত্তৰ বকো অঞ্চলত এগৰাকী বিশিষ্ট ব্যক্তি হিচাপে ৰাজহুৱা অন্যান্য সভা-সমিতি, কাম-কাজৰ লগত তেখেতে জড়িত আছিল।

'উপদেশতকৈ আৰ্হি ভাল' এই ধাৰণা শিৰোগত কৰি ক্ষীৰমা শইকীয়াই পলু পুহি, সূতা কাটি, পাট-মুগাৰ মেখেলা চাদৰ বোৱা আৰু নিজে পিন্ধাৰ লগতে আনকো পিন্ধায় ভাল পাইছিল। বন্ধাবঢ়া, আচাৰ বনোৱা, চাফাই কৰা আদি সকলো কামেই তেওঁ কৰিছিল। সুদীৰ্ঘ ডে ৰকুৰি বছৰত বহু স্বনামধন্য ব্যক্তিক কস্তুৰবা কেন্দ্ৰলৈ আমন্ত্ৰণ কৰি ৰাইজৰ লগত চিনাকি তথা অনুপ্ৰাণিত হোৱাৰ সুবিধা কৰি দিয়ে। গান্ধীজী, কস্তুৰবা, অমলপ্ৰভা দাস, শকুন্তলা চৌধাৰীৰ পদাংক অনুসৰণ কৰি মানৱ সেৱাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা ক্ষীৰমা শইকীয়া বৰ্তমান (২০১২ চনৰ মে' মাহৰ পৰা) প্ৰাদেশিক কাৰ্যালয় শৰণীয়া আশ্ৰমৰ সেৱিকা। লেখা-মেলাতো হাত থকা ক্ষীৰমা শইকীয়া তেখেতৰ ত্যাগ, পৰিশ্ৰম আৰু মানৱ সেৱাৰ বাবে সদায় অনুপ্ৰেৰণাৰ প্ৰতীক হৈ ৰ'ব।

---

লেখিকা ঃ বিজয়া ডেকা বকোৰ জে. এন. মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা।

অসম সাহিত্য সভাৰ প্ৰতিটো খবৰ, প্ৰতিটো বাতৰিৰ বাবে পঢ়ক
ইণ্টাৰনেট সংস্কৰণ ঃ www.asamsahityasabha.org
অসম সাহিত্য সভা বাৰ্তা
যোগাযোগ ঃ
মুখ্য সম্পাদক, অসম সাহিত্য সভা বাৰ্তা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
সম্পাদক, অসম সাহিত্য সভা বাৰ্তা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১
ইমেইল ঃ asamsahityasabhabarta@gmail.com

# মহিয়সী নাৰী অমলপ্ৰভা দাস

বিজয়া ডেকা



গান্ধীবাদী সমাজসেৱিকা অমলপ্ৰভা দাসৰ ১৯১১ চনৰ ১২ নৱেম্বৰত ডিব্ৰুগড়ত জন্ম হয়। তেখেতৰ পিতৃৰ নাম ডাঃ হৰিকৃষ্ণ দাস আৰু মাতৃৰ নাম হেমপ্ৰভা দাস। তেখেতসকলৰ দুটি সন্তানৰ ভিতৰত প্ৰথমা কন্যা ডাঃ তিলোত্তমা ৰায় চৌধুৰী। অমলপ্ৰভা দ্বিতীয়া কন্যা।

পঢ়া-শুনাত মেধাৱী অমলপ্ৰভা দাসে ১৯২৭ চনত ডিব্ৰুগড়ৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত হোৱা মেট্ৰিক পৰীক্ষাত অংক আৰু ভূগোল বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ অমলপ্ৰভাই গুৱাহাটীৰ কটন কলেজত আই. এছ. চি. পঢ়িবলৈ ইচ্ছা কৰিলে। তেতিয়ালৈ কটন কলেজত সহ শিক্ষা হোৱা নাছিল। অধ্যক্ষ থমচন চাহাবে অমলপ্ৰভাক কটনত পঢ়াৰ অনুমতি প্ৰদান নকৰিলে। ফলত তেখেতে কলিকতাৰ বেথুন কলেজত নাম লগালে। ইয়াৰ পৰাই তেখেতে ১৯২৯ চনত আই. এছ. চি. পাছ কৰে। ১৯৩৩ চনত কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰ পৰা ডিষ্টিংচনসহ বি.এছচি. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পিছত ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা Applied Chemistrey ত এম.এছচি পৰীক্ষাত উত্তীৰ্ণ হয়। উল্লেখ্য, অমলপ্ৰভা দাসেই এম. এছচি পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰথম অসমীয়া মহিলা।

১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত কংগ্ৰেছ মহাসভাৰ অধিৱেশন বহে। অমলপ্ৰভা তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। মাক হেমপ্ৰভা আছিল উক্ত অধিৱেশনৰ প্ৰদৰ্শনীৰ দায়িত্বত। কিশোৰী হেমপ্ৰভায়ো উক্ত অধিৱেশনত গীত গায় আৰু স্বেচ্ছাসেৱক হিচাপে সেৱা আগবঢ়ায়। এই অধিৱেশনতে প্ৰথমবাৰৰ বাবে অমল প্ৰভাই জাতিৰ পিতা গান্ধীজীক দূৰৰ পৰা দেখাৰ সৌভাগ্য লাভ কৰে।

অমলপ্ৰভাৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাসে ইতিমধ্যে স্বাধীনতা আন্দোলনত নামি পৰে আৰু গুৱাহাটীৰ পাণবজাৰৰ নিজাগৃহৰ পৰাই স্বাধীনতা সংগ্ৰামৰ লগতে চিকিৎসা সেৱা চলাবলৈ ধৰে। মানৱ দৰদী চিকিৎসকগৰাকীয়ে দুখীয়া লোকক বিনামূলীয়াকৈ সেৱা আগবঢ়াইছিল। ১৯৩৪ চনত তৃতীয়বাৰৰ বাবে গান্ধীজী অসমলৈ আহোতে ডাঃ হৰিকৃষ্ণৰ ঘৰতে তিনি ৰাতি আলহী হৈ থাকে। এম.এছচি পঢ়ি থকা অমলপ্ৰভাই এই সময়তে গান্ধীজীক ভালদৰে সাক্ষাৎ পালে আৰু অসহযোগ আন্দোলনৰ মূলতত্ব ভালদৰে উপলব্ধি কৰিলে। দেশপ্ৰেমেৰে উদ্বুদ্ধ সেৱক-সেৱিকাসকলকো লগ পালে। আদৰ্শবান পিতৃ-মাতৃ, গান্ধীজীৰ সাক্ষাতৰ ফলস্বৰূপে অমলপ্ৰভা দাসে দেশসেৱা কাৰ্যত নিজকে অৰ্পণ কৰিবলৈ মানস কৰিলে। উল্লেখ্য, ডাঃ হৰিকৃষ্ণৰ ঘৰখনত আন্দোলনৰ সময়ত মহাত্মাগান্ধী, জৱাহৰলাল নেহৰু, কাকা কালেলকাৰ, সুভাষ চন্দ্ৰ বসু, ঠাকুৰ বাপা, বাবা ৰাঘৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, গোপীনাথ বৰদলৈ আদি অনেক নেতা, ভলণ্টিয়াৰে আলহী হৈ আছিল। স্বাভাৱিকতে ঘৰখনত ত্যাগ, অহিংসা, স্বদেশ প্ৰেমৰ আদৰ্শ মুখৰিত হৈ আছিল।

১৯৩৮ চনত ডাঃ হৰিকৃষ্ণ দাস পৰিয়ালসহ হৰিপুৰত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভালৈ যায়। ইয়াৰ পৰা সেৱা গ্ৰামলৈ গৈ মীৰাবেন আৰু গান্ধীজীক লগ কৰে। অমলপ্ৰভাই গান্ধীজীক ইয়াতে দ্বিতীয়বাৰৰ বাবে মনৰ ভাব প্ৰকাশ কৰাৰ সুযোগ পায়। বিনোৱাজীকো দূৰৰ পৰা দেখা পায়। অকল সিমানে নহয়, গান্ধীজীৰ আদৰ্শৰে উদ্বুদ্ধ অমলপ্ৰভা দাসে ১৯৩৯ চনত মাকৰ সৈতে ৱাৰ্ধালৈ গৈ গান্ধীক পুনৰ লগ কৰে। ইয়াৰ পিছতে অসমলৈ ঘূৰি আহি স্বৰাজ আন্দোলনত প্ৰত্যক্ষভাৱে জৰিত হৈ পৰে। তেখেতে পুষ্পলতা দাসৰ লগত কংগ্ৰেছৰ মহিলা শাখাৰ নেতৃত্ব গ্ৰহণ কৰে। স্বৰাজ আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি গাঁৱে-ভূঞে ঘূৰি ৰাইজৰ মাজত উদাত্ত ভাষণ দিয়াৰ ফলত অমলপ্ৰভা দাসে কাৰাবৰণ খাটিব লগীয়া হয়। ১৯৪১ চনৰ ৩ তাৰিখৰ পৰা ডেৰমাহ কাল তেওঁ জেলত থাকে। সেইদৰে ১৯৪৩ চনৰ ২৭ জানুৱাৰীৰ পৰা ১৯৪৪ চনৰ শেষলৈকে দ্বিতীয়বাৰৰ বাবে কাৰাগাৰত দিন কটাবলগীয়া

হয়। এই দ্বিতীয় সময়ছোৱাতে তেখেতে কাৰাগাৰত চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু পুষ্পলতা দাসক লগ পায়।

১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীত জাতিৰ পিতা মহাত্মা গান্ধীৰ সহধৰ্মীনী ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধীৰ পুনেৰ আগাখাঁ প্ৰসাদত বন্দিনী অৱস্থাতে মৃত্যু হয়। তেওঁৰ পূণ্য স্মৃতিত ভাৰতবৰ্ষৰ লগতে অসমতো পুঁজি সংগ্ৰহ কৰা হয়। অসমত এই কস্তুৰবা নিধিৰ সভাপতি আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু সম্পাদকৰ দায়িত্ব বহন কৰে অমলপ্ৰভা দাসে। তেখেতে কৰ্মদক্ষতা, আন্তৰিকতা আৰু জনসাধাৰণৰ প্ৰতি থকা অটল বিশ্বাসৰ ফলস্বৰূপে অসমৰ ভিতৰুৱা অঞ্চলত কেবাখনো কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰ গঢ়ি তুলিছিল। এই কস্তুৰবা কেন্দ্ৰৰ মূল উদ্দেশ্য আছিল গাওঁৰ মহিলা আৰু শিশুৰ কল্যাণ সাধন। ডাঃ হৰিকৃষ্ণ দাসৰ পৰিবাৰ হেমপ্ৰভাই ইতিমধ্যে শৰণীয়া পাহাৰত থকা নিজা মাটিত আশ্ৰম প্ৰতিষ্ঠা কৰিছিল। পিতা আৰু অমলপ্ৰভাৰ কন্যাৰ প্ৰচেষ্টাতে শৰণীয়া আশ্ৰমত কস্তুৰবা গান্ধী স্মাৰক ৰাষ্ট্ৰীয় ন্যাসৰ অসম শাখাৰ গ্ৰাম সেৱিকা বিদ্যালয় স্থাপন হয়। ১৯৪৬ চনত মহাত্মা গান্ধী অসমলৈ আহোতে এই শৰণীয়া পাহাৰৰ খেৰৰ কুটিৰত তিনি ৰাতি থাকি জনসাধাৰণক দেখা কৰিছিল। ন জানুৱাৰীৰ দিনা গান্ধীজীয়ে নিজে এই কস্তুৰবা গান্ধী গ্ৰাম সেৱিকা বিদ্যালয়ৰ শুভাৰম্ভ কৰে। ১৯৪৩ চনৰ পৰা ১৯৫৪ চনলৈ অমলপ্ৰভা দাসে এই ট্ৰাষ্টৰ প্ৰতিনিধি হৈ থাকি অসমৰ বিভিন্ন জিলাত ভালেমান গ্ৰামসেৱা কেন্দ্ৰ স্থাপন কৰে। আনকি দূৰ্গম পথ নেওচি অৰুণাচল জিৰ' অঞ্চলতো এটি কেন্দ্ৰ স্থাপন কৰে। ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্পত লক্ষীমপুৰ জিলাত বহু ক্ষতি হয়। এই অঞ্চলত ১৯৫০ চনৰ মাৰ্চলৈকে সেৱা কাৰ্য চলে। এই কামত শ্ৰীযুতা শকুন্তলা চৌধাৰী প্ৰমুখ্যে ১২ জনীয়া দলটিয়ে তেখেতক যথেষ্ট সহায় কৰে। দুৰ্গম বাটেৰে তেওঁলোকে কেতিয়াবা ১৭/১৮ মাইল পৰ্যন্ত খোজ কাঢ়িব লগা হৈছিল। কস্তুৰবা ট্ৰাষ্টৰ কৰ্মীসকলক লগত লৈ অমলপ্ৰভা দাসে লীলাবাৰীত দুৰ্গত তথা অনাথ শিশুৰ বাবে কস্তুৰবা কেন্দ্ৰ স্থাপন কৰে। পিছত 'ভূদান যজ্ঞৰ' পদ যাত্ৰাকালত বিনোৱাজীয়ে এই কেন্দ্ৰৰ নাম 'মৈত্ৰী আশ্ৰম' (১৯৬২ চনত) নাম দিয়ে। কৰ্মময় জীৱন কালত অমলপ্ৰভা দাসে অশেষ কষ্ট আৰু ত্যাগেৰে ভালেমান দায়িত্ব সুদক্ষতাৰে পালন কৰিবলৈ সক্ষম হয়।

১৯৫০ চনত ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমতো গান্ধী স্মাৰক নিধিৰ প্ৰাদেশিক শাখা অসমতো হয়। সৰ্ব প্ৰথমে স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা ইয়াৰ সঞ্চালক হয়। ১৯৫২ চনত অমলপ্ৰভা দাস এই অনুষ্ঠানৰ সঞ্চালক হয়।১৯৪৬ চনত অসম প্ৰাদেশিক 'সমাজ কল্যাণ বোৰ্ডৰ প্ৰথম অধ্যক্ষা হয়। ১৯৫২ চনৰ পৰা অসমত ভূ-দান অভিযানৰ পদযাত্ৰা আৰম্ভ কৰে। ইয়াৰ পিছত ১৯৬১ চনৰ ৫ মাৰ্চত পূজ্য বিনোৱাজীয়ে পদব্ৰজে অসমত প্ৰৱেশ কৰে। ১৯৬২ চনৰ ৫ ছেপ্টেম্বৰ লৈ প্ৰায় ডেৰ বছৰ কাল বিনোৱাজীয়ে অসমত পদযাত্ৰা অব্যাহত ৰাখে। এই সময়ছোৱাত পূজ্য বাইদেৱে বিনোৱাজীৰ লগত থাকি, তেওঁৰ ভাষণৰ অসমীয়া অনুবাদ কৰি মানুহক বুজাত সহায় কৰে।

১৯৫৯ চনৰ জুলাই মাহত অমলপ্ৰভা দাস আৰু তেখেতৰ জ্যেষ্ঠ ভগ্নী ডাঃ তিলোত্তমা ৰায় চৌধুৰীয়ে তেওঁলোকৰ মাটি, বাসভৱন সৰ্বোদয় ট্ৰাষ্টক দান কৰে। বৰ্তমান তেখেতসকলৰ বাসভৱন গান্ধী বিচাৰ পাঠাগাৰ আৰু ডাঃ হৰিকৃষ্ণ দাস সোঁৱৰণী পুথিঘৰ চলি আছে। ১৯৭৮ চনত গুৱাহাটীত অনুষ্ঠিত তৃতীয় অখিল ভাৰত মহিলা সন্মিলনৰ সভানেত্ৰী আছিল অমলপ্ৰভা দাস। তেখেতে 'বিশ্ব মহিলা সন্মিলন' (১৯৭৯ চন) ৰ অভ্যৰ্থনা সমিতিৰো সভানেত্ৰীৰ আসন শুৱনি কৰিছিল। উল্লেখযোগ্য যে ১৯৭৬ চনৰ ডিচেম্বৰ মাহত ভূদান আন্দোলনৰ হোতা পূজ্য বিনোৱাজীয়ে এবছৰীয়া মৌন ব্ৰত ভংগ কৰে পৌনাৰ ৱাৰ্দ্ধা আশ্ৰমত এক জনসমাৱেশত। এই সভাত অমলপ্ৰভা দাসে সভানেত্ৰীৰ আসন অলংকৃত কৰিছিল। অহিংসা আন্দোলন, ভূদান আন্দোলনত অংশ গ্ৰহণৰ পৰা আৰম্ভ কৰি নোৱাখালীত খবৰ লোৱালৈকে ১৯৮৩ চনৰ বিদেশী বহিষ্কাৰ আন্দোলনত পীড়িত লোকসকললৈকে সকলোতে তেখেতে সেৱা আগবঢ়াই গৈছে। 'সমাজসেৱিকা অমলপ্ৰভা দাসক ১৯৫৫ চনত তেখেতক সমাজ কল্যাণৰ কামত অতুলনীয় সেৱা আগবঢ়োৱা বাবে ভাৰত চৰকাৰে 'পদ্ম বিভূষণ' উপাধি প্ৰদান কৰে। কিন্তু নম্ৰতাৰ প্ৰতিমূৰ্তি অমলপ্ৰভা দাসে সেই বঁটা আৰু উপাধি গ্ৰহণ নকৰিলে। অৱশ্যে ১৯৮২ চনত 'যমুনালাল বাজাজ বঁটা' গ্ৰহণ কৰে। কিন্তু এই বঁটাত পোৱা ১ লাখ টকা গান্ধীৰ আদৰ্শেৰে পৰিচালিত হৈ থকা সাতোটি অনুষ্ঠানৰ মাজত ভগাই দিয়ে। অমল প্ৰভা দাসে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰি চহৰীয়া পৰিৱেশত ডাঙৰ দীঘল হ'লেও কপাহী কাপোৰ, এড়ি কাপোৰ পিন্ধিছিল, ভাত ৰন্ধা, যঁতৰত সূতা কটা, কাপোৰ বোৱা, ঘৰ পৰিষ্কাৰ কৰা আদি সকলো কামত তেওঁ আগৰণুৱা আছিল। পাইলট হোৱাৰ আশা ত্যাগ কৰি জনসাধাৰণৰ কামত নিজকে বিলাই দিছিল। অমায়িক ব্যৱহাৰ, অল্প কথন, কৰ্মনিষ্ঠা, কষ্ট সহিষ্ণুতা, সুদক্ষ পৰিচালনা আছিল তেখেতৰ ভূষণ। ১৯৯৪ চনৰ ৩০ ডিচেম্বৰ তাৰিখে এই গৰাকী মহিয়সী নাৰীয়ে ইহলীলা সম্বৰণ কৰে। গান্ধীজী আৰু বিনোৱাজীৰ আদৰ্শৰে জীৱন অতিবাহিত কৰা এই গৰাকী মহান বিদুষী মহিলা ' অমল প্ৰভা' ৰাষ্ট্ৰৰ বাবে সদায় আদৰ্শনীয় হৈ ৰ'ব।

লেখিকা ঃ বিজয়া ডেকা বকোৰ জে. এন. মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা।